৪ পৃষ্ঠাত
১০ পৃষ্ঠাত

# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ দেওবাৰ, ৯ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, November 9, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

ৎস্থক এ গানিং (NLP) আৰু চেহ্ৰমেনৰ ৮ পৃষ্ঠাত

লঙত চাঞ্চল্যকৰ ডকাইতিৰ ঘটনা

## বনকৰা যুৱকৰ
## ত আহত দম্পতী

নৱেম্বৰ ঃ নগাঁও চহৰৰ গাতে লাগি থকা মৰিকলঙত
মান বজাত এক লোমহৰ্ষক ডকাইতিৰ ঘটনা সংঘটিত
সৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰেন্দ্ৰনাথ বৰাৰ ঘৰত সংঘটিত
না। অকলশৰীয়াভাৱে থকা হৰেন্দ্ৰনাথ বৰাৰ দম্পতী
কুতৰভাৱে আহত হয়। আহত দম্পতিহাল ৮ পৃষ্ঠাত



## দুলীয়াজানত আঠ লাখ টকা হৰলুকী

বিশেষ প্ৰতিনিধি, দুলীয়াজান, ৮ নৱেম্বৰ ঃ বেংকত সুৰক্ষিতভাৱে ৰখা সাচতীয়া ধন হৰলুকী কৰা ঘটনা...



ৰাস মানৱ জীৱনৰ এক উচ্চতম শিল্প ঃ ড° শইকীয়া

## ডিব্ৰুগড়ত 'ৰাস-চন্দ্ৰিমা' উন্মোচন

ষ্টাফ ৰিপৰ্টাৰ, ৮ নৱেম্বৰ ঃ ৰাস মানে কেৱল নৃত্য-গীত নহয়, ই মানৱ জীৱনৰ এক উচ্চতম শিল্প। ভগৱান শ্ৰীকৃষ্ণৰ ৰাসলীলা যিদৰে এক চিৰন্তন প্ৰেম, ধৰ্মৰ প্ৰতীক, তেনেদৰে আজিৰ যুগত ৰাস উৎসৱ সমাজ গঠন আৰু নতুন প্ৰজন্মৰ চিন্তা-দৰ্শনত ঐক্যবদ্ধভাৱে আগুৱাই নিয়াৰ এক মাধ্যম। বৃহত্তৰ ডিব্ৰুগড় ৰাস মঞ্চৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত চৌকিডিঙ্গী খেলপথাৰত অনুষ্ঠিত ৰাস মহোৎসৱ-২০২৫ উপলক্ষে ৮ পৃষ্ঠাত

কাৰ্যালয়ত বিজেপি যুৱ মৰ্চাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আজি অনুষ্ঠিত এখন যোগদান সভাত শিৱসাগৰ নগৰৰ ৩০ গৰাকী ৮ পৃষ্ঠাত

## ডিকেডি কলেজৰ হীৰক জয়ন্তীৰ সমিতি গঠন

প্ৰতিবেদক, দেৰগাঁও, ৮ নৱেম্বৰ ঃ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ষাঠি বছৰ অতিক্ৰম কৰা উপলক্ষে মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ২০২৬ বৰ্ষৰ জানুৱাৰী ৮ পৃষ্ঠাত

প্ৰতিবেদক, আমগুৰি, ৮
শিক্ষয়িত্ৰী তথা দৈনিক
সাংবাদিক জুৰি শইক
সমাজে আগবঢ়াইছে ভুৱ
বটা। যোৱা ৭ নৱেম্বৰত

## ধুবুৰীত অ
## তিনি যু

প্ৰতিবেদক, ধুবুৰী, ৮ ন
পৰা অনলাইন জুৱা খি
সন্দেহত আৰক্ষীয়ে তি
জানিব পৰামতে গোপন
ধুবুৰী আৰক্ষীৰ এটা দলে

## শ্ৰমিক নেতা, সা

# অসম আদিত্য

২ কাতি, ১৯৪৭ শক ■ দেওবাৰ, ৯ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, November 9, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

সমৰ্থন হেৰুৱাবলৈ উপক্ৰম কৰিছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে।

## জুৰি শইকীয়াক লেখিকা

যৰুকাটিঙৰ অমৰজ্যোতি ক্লাব প্ৰাংগণত অনুষ্ঠিত হোৱা অসম লেখিকা সমাজৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱসৰ তথা মধ্যকালীন অধিৱেশনত এইবঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। 'সৌমাৰনন্দিনী' নামৰ জনপ্ৰিয় উপন্যাসৰ লেখিকা জুৰি শইকীয়াৰ 'সাঁজবাতি', 'ৰাধিকা', 'নাং হিং মূলা', 'নিষিদ্ধ যাত্ৰা' উপন্যাসকে ধৰি প্ৰায় পোন্ধৰখন শিশু গ্ৰন্থ, চাৰিখন গল্প সংকলন, দুখনকৈ প্ৰবন্ধ সংকলন প্ৰকাশ পাইছে। শিৱসাগৰ জিলাৰ আমগুৰিৰ বাসিন্দা, শিক্ষয়িত্ৰী জুৰি শইকীয়াই নকৈ দশকৰপৰা সাহিত্য-চৰ্চা কৰি এগৰাকী শক্তিশালী তথা সামাজিকভাৱে দায়বদ্ধ লেখিকা হিচাপে পাঠকৰ মাজত প্ৰতিষ্ঠিত আৰু জনপ্ৰিয়। সদৌ অসম লেখিকা সমাজৰ প্ৰতিষ্ঠাপক সভানেত্ৰী পদুমী গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত লেখিকাগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে এখনি অংগ বস্ত্ৰ, সম্বৰ্ধনা-পত্ৰ, স্মাৰকসহ নগদ পাঁচ হেজাৰ টকা।

## ধুবুৰীত অনলাইন জুৱাৰ তিনি

থকা এখন হোটেলত এক অভিযান চলাইছিল। উক্ত অভিযানত আৰক্ষীৰ দলটোৱে আৰ এছ এন নামৰ এটা বেটিং ছিণ্ডিকেটৰ জৰিয়তে ম'বাইলেৰে অ'নলাইন জুৱাৰ সৈতে জড়িত থকাৰ সন্দেহত তিনিজনকৈ যুৱকক আটক কৰে। আৰক্ষীয়ে যুৱককেইজনৰ পৰা কেইবাটাও বেংকৰ কাৰ্ড আৰু পাছবুকো উদ্ধাৰ কৰা বুলিও প্ৰকাশ। ধৃত তিনিগৰাকী দক্ষিণ শালমাৰা অঞ্চলৰ সাহিনুৰ আলী, অহিনুৰ ৰহমান, জব্বাৰ আলী বুলি প্ৰকাশ। তাৎপৰ্যপূৰ্ণভাৱে এজনৰ বাহিৰে অইন দুই যুৱকৰ নাম সন্নিৱিষ্ট কৰা হোৱা নাছিল হোটেলখনৰ ৰেজিষ্ট্ৰাৰ খাতাত। তাৰেই পৰিপ্ৰেক্ষিতত হোটেলখনৰ ছামাদ নামৰ এজন কৰ্মচাৰীকো আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। শেহতীয়াকৈ জানিব পৰা মতে চাৰিওকে ধুবুৰী সদৰ থানাত জেৰা চলাই থকা হৈছে।

## ডিব্ৰুগড়ত 'ৰাস-চন্দ্ৰিমা' উন্মোচন

'ৰাস-চন্দ্ৰিমা' স্মৃতিগ্ৰন্থ উন্মোচন কৰি ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ তথা অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তেওঁ কয় যে স্মৃতিগ্ৰন্থ 'ৰাস-চন্দ্ৰিমা' এক কোনো কাগজৰ পৃষ্ঠা নহয়, ই হৈছে সমাজ জীৱনৰ ৰঙীন সুৰ আৰু ইতিহাসৰ স্মৃতি, ডিব্ৰুগড়ৰ ৰাসৰ হৃদস্পন্দন। তেওঁ কয়— ৰাস মানে কেৱল ধৰ্মীয় অনুষ্ঠান নহয়, ই হৈছে ভক্তি, সংস্কৃতি, সমাজৰ সৃষ্টিশীলতাৰ মিলন ক্ষেত্ৰ। প্ৰাঞ্জল পাত্ৰৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থখন শতাব্দী যুগীয়া ঐতিহ্যক বন্দনা কৰাৰ এক দলিল হ'ব বুলি উল্লেখ কৰি তেওঁ কয়— ৰাস উৎসৱে সাংস্কৃতিক নৱজাগৰণ, সামাজিক ঐক্য, আধ্যাত্মিক আৰু বিজ্ঞানৰ সম্পৰ্ক, পৰিৱেশ আৰু উঠি অহা প্ৰজন্মক কলা, বিজ্ঞান, সমাজ আৰু ধৰ্ম সম্পৰ্কে শিক্ষা আৰু অনুপ্ৰেৰণা দিয়ে। ড° দীলিপ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা স্মৃতিগ্ৰন্থ উন্মোচনী সভাত অধ্যক্ষ ড° শইকীয়াই কয়— ৰাস হৈছে মানুহৰ জীৱনৰ এক অনন্য সুৰ, য'ত ভক্তিৰে, কলাৰে, কৰ্মৰে আৰু ইতিহাস ঐতিহ্যৰে একেডাল সূতাৰে সংযুক্ত হৈ থাকে। স্মৃতিগ্ৰন্থ উন্মোচন অনুষ্ঠানৰ আঁত ধৰে ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈয়ে আৰু ৰাস উদ্‌যাপনৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে সদৰি কৰে ৰাস মহোৎসৱৰ সম্পাদক ডাঃ কৃষ্ণ নাৰায়ণ দত্ত বৰুৱাই। অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁই, ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী চন্দন মজুমদাৰ, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকনকে ধৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল আৰু ডিব্ৰুগড় চহৰৰ বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। আনহাতে, সন্ধিয়া পুনৰ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম চৰকাৰৰ মন্ত্ৰী প্ৰশান্ত ফুকন, বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী পুলিন চন্দ্ৰ গগৈ, উদ্‌যাপন সমিতিৰ সভাপতি ড° দিলীপ কুমাৰ ভূঞা, কাৰ্যকৰী সভাপতি ডাঃ মৃগাংক শেখৰ চলিহাই। ইয়াৰ পিছতে শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে বন্তি প্ৰজ্জ্বলনেৰে ৰাসলীলাৰ উদ্বোধন কৰে।

য়াৰ শ্ব'ত জুবিন গা

## গুৱাহাটীৰ আ
## ফেল, মিগ,

, ৮ নৱেম্বৰ ঃ গুৱাহাটী
যুদ্ধ বিমানৰ বিচৰণ। এক
ৰিছে আনখনকৈ যুদ্ধ বিমান।
সনাৰ শক্তি আৰু বীৰত্ব ।

আকাশত
মিৰাজ,
কাইলৈ, ৯
যুঁজাৰু বি

পত দিল্লীৰ ফ